পৰবৰ্ত্তী কবি হ'ব লাগিব। কালশিলা গোসাঁইৰ বংশাৱলীৰ পৰা হৃদয়ানন্দ কায়স্থৰ সম্পূৰ্ণ বৃত্তান্ত পোৱা হয়—

"শঙ্কৰদেৱৰ ভ্ৰাত যে কনিষ্ঠ হাথীয়া দলই খ্যাত।
নামে ৰতিকান্ত পৰম মহন্ত মহন্তৰ সমজ্যাত॥
তাহান তনয় অতি শুভাশয় ৰামচন্দ্ৰ নাম ভৈলা।
জীউখানি মাত্ৰ জন্মিল তাহাৰ এতেকে বৈকুণ্ঠ গৈলা॥
নাতিনীখানিক ৰতিকান্ত দেৱে তুলিলন্ত স্নেহ কৰি।
সুকবিৰ পুত্ৰ যত্নক আনিয়া বিহাইলন্ত যত্ন ধৰি
তান গৰ্ভজাত তিনি পুত্ৰ খ্যাত বিষ্ণুৰ সেৱক ভৈলা।
চিদানন্দ নিত্যা- নন্দ কনিষ্ঠাৰ হৃদয়ানন্দ নাম থৈলা॥
হৃদয়ানন্দক অনন্ত বোলয় সৰ্বগুণে অনুপম।
ৰাধাদিৰ হস্তে উজানে আনিয়া কৈলে আৰু নানা কাম॥
তেহোঁ যে আসিয়া মায়ং ৰাজ্যত কালশিলা গ্ৰামে ৰৈলা।
অতি ভয়ানক বিলখান তাত সেহি নামে গ্ৰামে ভৈলা॥
প্ৰেমলতা আৰু ৰাম যে কীৰ্ত্তন দুইশাস্ত্ৰ কৰিলন্ত।
সেহি কাৰণত কালশিলা সত্ৰে অদ্যাপি কীৰ্ত্তি ৰৈলন্ত॥"

প্ৰেমলতা নামে এওঁৰ আন এখন পুথিৰ উল্লেখৰ উপৰিও, এওঁ আদৰ্শৰূপে দ্বিজ কলাপচন্দ্ৰৰ ৰামায়ণ-চন্দ্ৰিকা পাইছিল বুলি এওঁৰ ভণিতাৰ পৰা বুজিব পাৰি— "সাত কাণ্ড ৰামায়ণ বাল্মীকিৰ কৃত। তাৰ সাৰ উদ্ধাৰিলা কৰিয়া বিবৃত॥ ৰামায়ণ চন্দ্ৰিকা হৈলন্ত তাৰ নাম। কলাপ যে দ্বিজচন্দ্ৰ মহন্ত উপাম॥ কীৰ্ত্তনৰ ছন্দে বিৰচিলোঁ পদসাৰ। শ্ৰীৰাম কীৰ্ত্তন নাম বুজিবা ইহাৰ॥" ইফালেও শঙ্কৰদেৱৰ কীৰ্ত্তন-ঘোষাৰ অনুকৰণত লিখাৰ প্ৰমাণ ইয়াৰ নামকৰণতে দিছে। এই অনন্ত আতাৰে পুতেক ভুবনেশ্বৰে আহোম ৰজা ৰাজেশ্বৰ সিংহৰ (১৭৫১-৬০) ৭০০ পুৰা ধৰ্মোত্তৰ মাটি পায় বুলি বুজিব পাৰি।

কিন্তু ওপৰত ৰামায়ণ-চন্দ্ৰিকাৰ কবি বোলা এই কলাপচন্দ্ৰ জন কোন? ৰামায়ণ-চন্দ্ৰিকা পুথি বা তাৰ উল্লেখ আন ক'তো পোৱা নাই; কিন্তু এজন কলাপচন্দ্ৰই চতুৰ্থ স্কন্ধ ভাগৱতৰ এছোৱা ভাঙোতে কৈছে—"জয় নৰনাৰায়ণ। দ্বিজ মাৰ্ত্তণ্ড যেন॥ ২২৩৯। নিৰন্তৰ ব্ৰহ্মজ্ঞানী। নৃপতিৰ চূড়ামণি॥ ২২৪৩। তান প্ৰসাদত মই। ৰচিলোঁ পয়াৰচয়॥ ২২৪৪। বদন্তি কলাপচন্দ্ৰ। বোলোঁ

ৰাম ৰাম মন্ত্র ॥ ২২৪৫ ।" আকৌ, ৰামসৰস্বতীয়ে জয়দেৱৰ গীত-গোবিন্দ কাব্যৰ ভাঙনি কৰিছিল, আৰু তেওঁৰ কলাপচন্দ্র নামৰ পুতেকে সম্ভৱ ব্রহ্মবৈবৰ্ত্ত পুৰাণৰ কাহিনী লৈ লিখা ৰাধা-চৰিত্র নামৰ ৩১৫ পদৰ পুথিখনৰ ভণিতাত লিখিছে— "শ্রীৰাম সৰস্বতী, যাৰ সদা শুদ্ধ মতি, ভাগৱত শাস্ত্রে যাৰ ৰতি। তাহান তনয় অতি, জ্ঞানশূন্য অল্পমতি, কোন কাম কৰিলোঁ তথাপি ॥ ২০১।" কিন্তু নৰনাৰায়ণৰ সভাকবি ৰামসৰস্বতীৰ পুতেক কলাপচন্দ্রই নৰনাৰায়ণৰ "প্রসাদত" ভাগৱত ভঙা সম্ভৱ নহয়; কিয়নো নৰনাৰায়ণৰ কালত ( ১৫৪০-৮৪ ) ৰাম-সৰস্বতীয়েই লৰা মানুহ আছিল। আকৌ কোনো কোনোৱে ৰামায়ণ-চন্দ্রিকাৰ কবিজনক কলাপ কেশৰী বুলিব খোজে, আৰু ৰামানন্দৰ গুৰুচৰিতত এওঁক শঙ্কৰদেৱৰ প্রথম শিক্ষাগুৰু বুলিছে। "কলাপ-কেশৰী, নামে এক ওজা, আছন্ত সেই গ্রামত। আগত শঙ্কৰ, পাছে সূৰ্য্যবৰ, ভৈলা তান উপগত ॥১৩২।" আকৌ ই খেলি-মেলি বঢ়ায়হে। গতিকে কালশিলা বংশাৱলীৰ কথা সচা হলে ৰামায়ণ-চন্দ্রিকা লেখক কলাপচন্দ্র কোনো উত্তৰ-বৈষ্ণৱ কবিয়েই হব।

ৰামমিশ্রৰ পৰিচয় এইদৰেই ধূৰলিকুঁৱলীত। মহাভাৰতৰ কোনো কোনো হাতে-লিখা পথিত প্রথম ছয় দিনৰ যুদ্ধৰ বর্ণনাত ৰাম-সৰস্বতীৰ ভণিতা আৰু সপ্তমৰ পৰা নৱমলৈ তিন দিনৰ বর্ণনাত বিদ্যা পঞ্চাননৰ; কিন্তু আন কিছুমানত নৱম দিনৰ যুদ্ধলৈকে ৰামমিশ্রৰ আৰু দশম দিনৰ যুদ্ধৰ বর্ণনাত আকৌ ৰাম-সৰস্বতীৰ ভণিতা। "নিগদতি ৰামমিশ্র সভাৰে আগত। নৱ দিনা যুদ্ধ এহি মানে সমাপত ॥ দশ দিনা পদ কৈলা ৰাম সৰস্বতী। আমাসাৰ কৃত এহি মানে সমাপতি ॥ আকৌ বিষ্ণু শৰ্মাৰ সংস্কৃত হিতোপদেশৰ ভাঙনিত ৰামমিশ্রৰ আত্ম-পৰিচয়ৰ ভণিতা—

"গড়গ্রাম নগৰৰ | ৰাজাৰ শশুৰ বৰ | নেয়োগৰ মধ্যম তনয়।'
মন্ত্রী মাঝে অগ্রগণী | পক্ষীৰ গৰুড় যেনি | যাৰ গুণ দেশে দেশে কয় ॥...
হেন মন্ত্রী গৃহে আসি | লৈয়া পূর্ব পুণ্যৰাশি | কনিষ্ঠ তনয় ভৈলা জাত।
সদ্বংশ কমল প্রায় | যাত পৰে আন নাই | ভদ্রসেন নামত প্রখ্যাত ॥
হৰিপদ-কমলৰ | যাৰ মুখ মধুকৰ | মধুপানে মত্ত সর্বদাই।
হিত-উপদেশ শাস্ত্র | পাৰিজাত তুল্য ইটো | ভ্রমৰ পৰিল ঘ্রাণ পাই ॥
ৰাজনীতি কৰি ৰতি | ভদ্রসেন শুদ্ধমতি | আদেশিলা পদ-নিবন্ধনে।
দোষ-গুণ পৰিহৰি | বোলাঁ সবে হৰি হৰি | অল্পমতি ৰামমিশ্রে ভণে ॥"

পৰাশৰ গোত্ৰে জাত ৰামমিশ্ৰ নামে খ্যাত দিচৈ গ্ৰামে যাহাৰ বসতি।
ফুকনৰ আজ্ঞা পাই হিত-উপদেশ চাই বিচাৰিলোঁ পদ যথামতি ॥

ৰামমিশ্ৰৰ এই পৃষ্ঠপোষক ভদ্ৰসেন ফুকনৰ পৰিয়ালৰ এজনী ছোৱালীক এজন গড়গঞা ৰজাই বিয়া কৰাইছিল ; কাৰো কাৰো মতে এওঁ চুক্লেনমুং (১৫৩৯—৫২), আৰু কাৰো কাৰো মতে জয়ধ্বজ সিংহ (১৬৪৮—৬৩)। গতিকে ৰামমিশ্ৰ ষোড়শৰ বা সপ্তদশ শতিকাৰ মাজছোৱাৰ কবি, আৰু হিতোপদেশৰ ভাঙনিৰ উপৰিও এওঁ মহাভাৰতৰ ভীষ্ম পৰ্ব আৰু পুতলা-চৰিত্ৰৰ পদ ৰচিছিল। এওঁৰ পিতাক মাধৱ কন্দলী (পৰৱৰ্তী), ককাক হৰিভাৰ্থী আৰু আজোককাক কলাপচন্দ্ৰ দ্বিজ বুলি পোৱা হয়। তেন্তে এই ওপৰত কোৱা কোনজন কলাপচন্দ্ৰৰ আজোনাতি ?

ৰঘুনাথ এই যুগৰ এজন প্ৰধান লেখক। এওঁৰ ৰচিত "কথা ৰামায়ণ" আৰু "অদ্ভুত ৰামায়ণ" প্ৰসিদ্ধ। ১৬৫৮ মানত লিখা পদ-পুথি "শত্ৰুঞ্জয়"ত এওঁ ৰামায়ণৰ কিষ্কিন্ধ্যা কাণ্ডৰ অন্তৰ্গত বালি-বধ কাহিনী আৰু অদ্ভুত-ৰামায়ণত মূল কাহিনীবোৰৰ সাৰাংশ দিয়ে। শত্ৰুঞ্জয়ৰ ভণিতাত আছে, "কৃষ্ণৰ কিঙ্কৰ বৰভক্ত বংশে জাত। অল্পমতি ৰঘুনাথ নামত প্ৰখ্যাত ॥" শঙ্কৰদেৱে তীৰ্থভ্ৰমণলৈ যাওঁতে বাটত সতানন্দ নামৰ এজন লোকক শৰণ ভজায় "বৰ ভকত" নাম দি ; এওঁৰ অৰ্দ্ধতন ষষ্ঠ পুৰুষেই ৰঘুনাথ। ৰঘুনাথৰ পিতাক কৃষ্ণনাথ আৰু ককাক দৈয়াং এলেঙী সত্ৰ পাতোঁতা বিখ্যাত সংস্কৃত পণ্ডিত হৰিকৃষ্ণ। ১৬৫৮ মানতে লিখা ৰঘুনাথৰ কথা-ৰামায়ণ ভট্টদেৱৰ কথা-গীতা আৰু কথা-ভাগৱতৰ দৰেই এই যুগৰ অসমীয়া সাহিত্যৰ অন্যতম কীৰ্তিস্তম্ভ।

কথা-ৰামায়ণৰ আৰম্ভণ: "আমাৰ ইটো অনুচিত কৰ্ম জানি নিন্দা হুবুলি কৃপা-ক। উচিত হয়। পুনু শ্ৰীৰামচৰণত মোৰ কোটি প্ৰণাম। হে প্ৰভু ৰাম, তুমি পূৰ্ণকাম, কোটি ব্ৰহ্মাণ্ডৰ কাৰণ নিৰঞ্জন নিৰাকাৰ যাক বেদান্তয়ো প্ৰত্যক্ষ কৈতে নপাৰিলা, কিন্তু অন্বয় ব্যতিৰেকে নানা উপমাৰে নিৰ্দেশ কৰিছে তোমাক কহিছে।" মাধৱ কন্দলীৰ ৰামায়ণত বৰ্ণোৱা সীতা-কাক কাহিনী ৰঘুনাথৰ ৰামায়ণতো কৈছে (অধ্যয়ন ১৮০-৮১ পিঃ)। কথা-ৰামায়ণৰ সামৰণি "তুমিয়ো দীনবন্ধু কৃপাসিন্ধু পতিত পাৱন সৰ্বজ্ঞ, ইহাক জানি কাতৰ কৰিছোঁ। মোৰ মন্দ বুদ্ধি দূৰ কৰি নিজ দাস কৰি লৈয়ো, এতেকে কৃতাৰ্থ হওঁ। হে সভাসদ, ওহি শ্ৰীৰাম কথা সমস্ত ধৰ্মত গৰিষ্ঠ। আৰু একচিত্তে দ্বিজনে পান কৰে, সংসাৰ

তৰিব ই কি বিচিত্ৰ, বংশকো উদ্ধাৰ কৰি পৰম্পদ পায়। এতেকে ইয়াক সদা শ্ৰৱণ-কীৰ্ত্তন কৰি উচ্চ কৰি হৰি বোল হৰি।”

ইয়াৰ লগত ৰঘুনাথৰ প্ৰায় একুৰি-দেৰকুৰি বছৰৰ আগৰ ভট্টদেৱৰ (১৫৫৮—১৬২৮) গদ্য তুলনা কৰি চাবলগীয়া। কথা-ভাগৱতৰ বৰ্ষা-বৰ্ণনত লিখিছে: “পাছে বাৰিষা কাল প্ৰবৰ্ত্তিলা: যাত সৰ্ব্ব প্ৰাণীৰ উদয় হয়। দশোদিশ প্ৰসন্ন হৈল: যেন তিনি গুণাচ্ছন্ন হুয়া জীৱ প্ৰকাশ কৰে তেমনে মেঘাচ্ছন্ন আকাশো প্ৰকাশ কৰিল: যেন ৰাজা সুখ কালতে লোকৰ কৰ লৱে: দুখ কালত দেয়: তেমনে সূৰ্য্যেৱো ভূমিৰ আঠমাস যি জল শোষিছা তাক এড়িবে আৰম্ভিলা: যেন কৃপালু সৱে লোকৰ দুঃখ দেখি আপোনাৰ জীৱন এড়ে: তেমনে মেঘসব লোকৰ কৃপায়ে জল বৃষ্টি কৰিল: যেন সকামী তপসী সৱে তপৰ ফল পাইলে দেহ বৃদ্ধি হয়: তেমনে গ্ৰীষ্ম কালত তাপিত ভূমিয়ো বৃষ্টিজলপায়া তুষ্ট হৈলা: যেন কলি যুগত পাপে পাৱণ্ড প্ৰকাশ কৰে: বেদে নকৰে: তেমনে বাৰিষা কালৰ ৰাত্ৰিত খদ্যোতেসে প্ৰকাশ কৰে।” কথা-গীতাত লিখিছে: “সঞ্জয়ে কহন্ত···অৰ্জ্জুনে মুখুঝিম বুলিয়া মৌনে ৰহিলা। হৃষিকেশ ভগৱন্তো হাস্যবদনে দেহাত্ম বিবেক দেখাই তাহান মোহ দূৰ কৰিতে এই বাক্য বুলিলা: হে সখি অৰ্জ্জুন, তুমি শোকৰ অবিষয় বন্ধুসৱক শোক কৰা: তাত মঞি বোধ দিলেও পণ্ডিতসৱৰ বাদসব কহা: তুমি পুনু পণ্ডিত নহৱা: যি পুনু পণ্ডিত হয় সি জীৱন্তা মৰন্তা দুইকো শোক নকৰে। তাৰ হেতু শুনা: যেন মঞি অনাদি ঈশ্বৰ: লীলা তনু ধৰিতে এড়িতেয়ো, নাইকা নহো: কিন্তু সদায়ে থাকোঁ: তুমি এই ৰাজাসৱো উপজি মৰিও মোৰ অংশ পদে নাইকা নহৱা: কিন্তু সততে থাকা। পৰমাৰ্থত জন্ম মৰণ নাই নিমিত্তে শোক নকৰিবা। যদি বোলা, ঈশ্বৰৰ জন্ম-মৰণ নাই ই সত্য হয়: জীৱৰ পুনু জন্ম মৰণ প্ৰসিদ্ধ আছে, তাত শুনা। যেন দেহী পুৰুষৰ এই দেহাতে দেহ নিবন্ধন কৌমাৰ যৌৱন জৰা অৱস্থা হয়, দেহান্তৰ প্ৰাপ্তিকো তেমনে বুঝিবা। এতেকে যি ধীৰ হয়, সি দেহৰ উৎপত্তিত বিনাশত মোহ নযায়।”

বেণুধৰ ৰাজখোৱাৰ সংগৃহীত সম্ভৱ সপ্তদশ শতিকাৰ আগভাগত লিখিত এখন কথা গুৰু-চৰিতৰ গদ্য ইয়াতকৈ অৰ্বাচীন বুলি ধৰিব পাৰি (অধ্যয়ন, ১৮১ পিঃ)। হেমচন্দ্ৰ গোস্বামীৰ সম্পাদিত পুৰণি অসম বুৰঞ্জী ১৫৩৩ খৃঃৰ বুলিলেও সম্ভৱ প্ৰকৃততে ষোড়শ শতিকাৰ শেষ বা সপ্তদশ শতিকাৰ আগভাগত ৰচিত; তাৰ গদ্যও তুলনাত অৰ্বাচীন যেন লাগে। (অধ্যয়ন, ১৮৩ পিঃ)

কথা-ৰামায়ণৰ, তথা কথা-ভাগৱতৰ আৰু কথা-গীতাৰ, গদ্যৰ লগত চৰিত আৰু বুৰঞ্জীৰ গদ্য মিলাই চাই ইয়াকেহে কব পাৰি, ধৰ্ম্মমূলক গদ্য আৰু বৈষয়িক গদ্যৰ ৰচনা-ৰীতিৰ পাৰ্থক্য আলোচ্য কথাৰ সমতলৰ ওখ-চাপৰ অনুসাৰেই হীন-ডেঢ়ি হয ; তাৰ বাহিৰে সময়ৰ আগা-পিছাৰ বাবে বঢ়া-টুটা যৎসামান্য বুলিব পাৰি। যিহওক, ৰঘুনাথৰ বংশৰে ১৭০৮ খৃঃ মানত সন্ত-মুক্তাৱলী পুথি প্ৰণেতা ৰামনাথ। শৰণ ভজাই শঙ্কৰদেৱে একাদশ স্কন্ধ পুথিখন দি সৰ্ব্বসাধাৰণৰ মাজত ভক্তিধৰ্ম্ম প্ৰচাৰিবলৈ আৰু পোনতে নিজ চাৰি পুত্ৰক শৰণ লগাবলৈ বৰভকত সতানন্দক কেনেকৈ আদেশ দিছিল, এই পুথিখনত সবিশেষ সকলো বৰ্ণোৱা আছে। "মহাযত্নে শ্লোক ভাঙ্গি কৰিছোঁ পদক। তোমাক দিলোঁহো আজি চলিয়ো গৃহক॥ নামমাত্ৰ জপিবাহা হাতে মালা ধৰি। লোককো শিখাইবা আৰু অতি যত্ন কৰি॥ চাৰি তনয়ক তুমি কৰাইবাহা সেৱা। গোপ্য কৰি নাম মন্ত্ৰ চাৰিকো কহিবা॥" বৰ ভকতৰ এই চাৰি পুতেক যথাক্ৰমে জয়কৃষ্ণ, শ্ৰীকৃষ্ণ, ব্ৰাহ্মিকৃষ্ণ আৰু মহাকৃষ্ণ ; মহাকৃষ্ণৰে আজো-নাতিয়েক ৰামনাথ আৰু এওঁৱেই বৰগঞা গোসাঁইৰ পূৰ্ব্বপুৰুষ আৰু তেওঁৰপুৰুষ বৰকলা সত্ৰ পাতোঁতা।

**পুৰুষোত্তম ঠাকুৰ** শঙ্কৰদেৱৰ বৰ-পো ৰামানন্দৰ ফালৰ নাতি। মাধৱদেৱৰ থাপিত বৰপেটা সত্ৰৰ ভকতসকলৰ লগত এওঁৰ থাপিত জুনীয়া সত্ৰৰ ভকতসকলৰ কিছুদিন মনোমালিন্য থকাৰ ভিতৰতে পুৰুষোত্তমে নামঘোষা শাস্ত্ৰখন খুজি বৰপেটালৈ মানুহ পঠিয়ায় ; বিবাদৰ বিষত বৰপেটাৰ ভকতসকলে কিবা-কিৰি বুলি শাস্ত্ৰখন নিদি মানুহজন ঘূৰাই পঠোৱাত ঠাকুৰে দুখ পাই নিজে ন-ঘোষা বুলি এখন নতুন হাজাৰী ঘোষা লিখিলে। পাছত গোপাল আতাৰ নিৰ্দ্দেশ মতে নাৰায়ণ ঠাকুৰৰ পুতেক পৰমানন্দই দুই দলক মিলাই দিয়ে। তেওঁৰ ৰচিত ন-ঘোষা স্থলতে কোনোবাই নামঘোষাৰ প্ৰতিদ্বন্দ্বী হেন ভাবিব পাৰে বুলি ভাবি তেতিয়াই পুৰুষোত্তমে নিজৰ পথিখন জুইত দিলে ; এনেতে ভকত এজনে দেখা পাই আধা-পোৰা অৱস্থাত ন-ঘোষা উদ্ধাৰ কৰে। প্ৰতিদ্বন্দ্বী নহয় সচা, কিন্তু ই যে নামঘোষাৰ উপযুক্ত অনুসঙ্গী তাত সন্দেহ নাই। "শঙ্কৰ স্বৰূপে হৰি, নিজ-অংশে অৱতৰি, ভকতি-প্ৰদীপ লগাই থৈলা। মাধৱ স্বৰূপে আসি, তৈতে তৈল দিয়া বাকি, অজ্ঞান আন্ধাৰ দূৰ কৈলা॥ ১৪৪।" এনে ৰচনা নিশ্চয় শঙ্কৰদেৱৰ পো-নাতিৰ অনুপযুক্ত হব নোৱাৰে। এইদৰেই, "দুৰ্ঘোৰ সংসাৰ সাগৰত, পৰি আছে আত লোক যত, তাহাক কৃপায়ে

আসিয়া হৰি আপনে। শঙ্কৰ স্বৰূপে অৱতৰি, প্ৰকাশিলা নিজ যশৰাশি, যাক শুনি-ভণি তৰি যায় সৰ্বজনে ॥ ৩৩৪ ।" সংস্কৃত সাহিত্যতো এওঁ সুপণ্ডিত আছিল। কেইটিমান বৰগীত আৰু বুঢ়া-ভাষ্য নামৰ এখন পুথিও পুৰুষোত্তমৰ ৰচিত বুলি কোৱা হয়।

পৰমানন্দ ঠাকুৰ নাৰায়ণ আতাৰ যোগ্য পুতেক ; পুৰুষোত্তমে মাধৱদেৱৰ অনুকৰণত ন-ঘোষা ৰচাৰ দৰে এওঁ শঙ্কৰদেৱৰ অনুকৰণত কুসুম-মালাত "গুৰু-গুণমালা" লিখি গুৰুজনৰ লীলা বৰ্ণনা কৰে। শঙ্কৰদেৱৰ পৰদেশী শিষ্যবৰ্গৰ বৰ্ণনা বিতোপন—

ত্ৰিজটা সন্ন্যাসী, তেহোঁ ব্ৰজবাসী। গুৰুক উপাসি, ভজিলন্ত আসি ॥৯২
গোপীনাথ সন্ত, কৰ্মী আছিলন্ত। শৰণ লৈলন্ত, হৰি ভজিলন্ত ॥৯৩
সেতুৰ খণ্ডিত, বিশ্বনাথ সন্ত। গুৰু মানিলন্ত, শৰণ লৈলন্ত ॥৯৪
ৰামভদ্ৰ সন্ত, পৰম মহন্ত। কৰ্ম এড়িলন্ত, হৰি ভজিলন্ত ॥৯৫
কৃষ্ণকান্ত সন্ত, পৰম মহন্ত। গুৰু মানিলন্ত, হৰি ভজিলন্ত ॥৯৬
গঙ্গাধৰ সন্ত, পৰম মহন্ত। গুৰু মানিলন্ত, হৰি ভজিলন্ত ॥৯৭
ৰুদ্ৰপদ নাম, ত্যজি আন কাম। গুৰুক প্ৰণাম, ভজিলন্ত ৰাম ॥৯৮
শ্ৰীধৰ আছন্ত, পৰম মহন্ত। শৰণ লৈলন্ত, হৰি ভজিলন্ত ॥ ৯৯
ৰাম ভট্ট সন্ত, গুৰু মানিলন্ত। শৰণ লৈলন্ত, হৰি ভজিলন্ত ॥১০০
বিষ্ণুদত্ত নাম, অতি অনুপাম। কৈলা পৰ্ত্তৰাম, গুৰুক প্ৰণাম ॥১০১
বিষ্ণুপুৰী সন্ত, পৰম মহন্ত। ব্ৰহ্মানন্দ সন্ত, শৰণ লৈলন্ত ॥১০২
ৰূপ সনাতনে, গুৰুৰ চৰণে। পৰম যতনে, পশিল শৰণে ॥১০৩
আনো যত সন্ত, শৰণ লৈলন্ত। তাক কহি অন্ত, কোনে কৰিবন্ত ॥১০৪

পৰশুৰাম নামৰ এজনেও শঙ্কৰদেৱৰ আৰু এওঁৰ অনুকৰণতে কুসুম-মালাত গীতা-গুণমালা এখন লিখে। মাধৱদেৱৰ নামঘোষাৰ আৰু পুৰুষোত্তমৰ ন-ঘোষাৰ গঢ়ত সোতৰটি পদৰ এখন কেৱলীয়া-ঘোষা লিখি গোপাল আতাই মাধৱ-দেৱক আৰু যদুমণিদেৱে গোপাল আতাক নিজ গুৰুৰূপে বন্দে—

মাধৱ মাধৱ প্ৰাণ, মাধৱ মাধৱ আত্মা,
মাধৱ মাধৱ গুৰু ইষ্ট।
মাধৱ মাধৱ নাম, সুস্মৰণে সুমঙ্গল
মাধৱেসে দেৱ ইষ্ট নিষ্ট ॥ ১।

নমোহো শঙ্কৰদেৱ মাধৱ সহিতে দুইকো
মোৰ ইষ্ট দেৱ দুই জন।
মাধৱৰ শিক্ষা ধৰি শুদ্ধভাৱে ভজো হৰি
বন্দো হেন ভক্তৰ চৰণ ॥ ২ ।
মাধৱ বৈকুণ্ঠে গৈলা গোপাল উদয় ভৈলা
ভকতি সৰ্ব্বস্ব মনে ধৰি।
পৰম কৃপায়ে ( তেওঁ ) জগতক উদ্ধাৰিলা
ভকতি-অমৃত বৃষ্টি কৰি ॥ ৩ ।

**দৈত্যাৰি ঠাকুৰ** আৰু তেওঁৰ গুৰুচৰিতৰ উল্লেখ আৰু উদ্ধৃতি অনেক বাৰ কৰি অহা হৈছে। এওঁৰ পিতাক ৰামচৰণ অন্ততঃ মাধৱদেৱৰ ( ১৪৮৯-১৫৯৬ ) মৃত্যু কাললৈকে অবিবাহিত আছিল বুলি চৰিতকাৰৰ পৰা বুজিব পাৰি ; গতিকে পিতাকৰ বহুত বয়সত সপ্তদশ শতিকাৰ মাজ ছোৱাত দৈত্যাৰিৰ জন্ম বুলি ধৰিব লাগিব। পিতাকৰ ৰচিত শঙ্কৰ-চৰিত নেদেখাকৈয়ে এওঁ দ্বিতীয় গুৰুচৰিত লিখা কথাও ইয়াৰ পৰাই সম্ভৱপৰ বুলি ভাবিব পাৰি। এওঁৰ "নৃসিংহ-যাত্ৰা" নাটৰ গন্ধও বিতোপন, ( অধ্যয়ন, ১৭৯ পিঃ )।

**ৰামানন্দ দ্বিজ** শঙ্কৰদেৱৰ তৃতীয় চৰিত-লেখক ; কিন্তু এওঁৰ ভণিতাৰ শঙ্কৰদেৱ-চৰিত, গোপালদেৱ-চৰিত, মহামোহ কাব্য, সন্তবন্ন, সন্তসাৰ, ভাগৱতী-চৰিত, সাধুসঙ্গ-নিৰ্ণয় এই আটাইবোৰ পুথিৰ ৰচয়িতা কেবাজনো নে উজনিৰ চেচা সত্ৰ-পাতোঁতা এই একে জনেই তাকো ভাবি চাবলগীয়া। শঙ্কৰদেৱ চৰিত ৰচয়িতা ৰামানন্দৰ যথেষ্ট উল্লেখ আৰু উদ্ধৃতি আগতে দিয়া হৈছে ; গোপাল আতাৰ চৰিত-লেখক ৰামানন্দ দাস এজন সুকীয়া লোক বুলিব লাগিব। কুকুৰাবাহী সত্ৰ পাতোঁতা গোপাল দেৱৰ চৰিত-ৰচয়িতাও ঠিক একেজন যেন নালাগে ; আৰু পাৰ্থিৱ প্ৰণয়ৰ পৰিণামদৰ্শী পুথি "মৃগাৱতী চৰিত"ৰ ভণিতাত আছে :—

"বিষয় বিষম বিষে হৈয়ো বিৰকতি। সাধুসঙ্গে হৰিপদে কৰিয়ো ভকতি।
ঘোৰ সংসাৰৰ দুঃখ এড়িবে তেখনে। কহে দ্বিজ ৰাম ৰাম বোলা সৰ্ব্বজনে ॥
খণ্ডিত বিষয় তাত সুখ নাহিকয়। অখণ্ড সুখক সাধঁা ভজি কৃপাময় ॥
কুৎসিৎ বিষয় আৰ ছাড়িও সকাম। কহে দ্বিজ ৰাম ডাকি বোলা ৰাম ৰাম ॥"

ইয়াত সহজে মন কৰিব পাৰি কবিয়ে সদায় নিজৰ নাম দ্বিজ ৰাম হে বুলিছে,

গুৰুচৰিতৰ দৰে 'কহে ৰামানন্দে সবে বোলা হৰি হৰি। ৮৮।" বুলি ভণিতা দিয়া নাই। "মহামোহ কাব্য"ৰ ৰচনা আৰু মহত্ত্বপূৰ্ণ; ই সংস্কৃত ৰূপক নাটক এখনৰ ভাবানুবাদ, মূল পুথি বাৰাণসীৰ পৰা অহা বুলি লেখকে কৈছে। এই কাব্যৰ মাই নায়ক বিবেক, ৰাজ্য হৃদয়পুৰ বা সৎসঙ্গ; প্ৰতিনায়ক মহামোহে কাম ক্ৰোধ আদি পাত্ৰ-মন্ত্ৰীৰ মন্ত্ৰণাতহে এই ৰাজ্য মাৰণৰ চেষ্টা কৰে; কিন্তু ধৈৰ্য্য, ক্ষমা, দয়া, তুষ্টি আদি এই চাৰি মন্ত্ৰী আৰু ভক্তি-প্ৰীতি আদি পত্নীৰ সহায়-উপদেশত যুঁৰি বিবেকেহে মহামোহৰ দুঃসঙ্গ নগৰ মাৰি তেওঁৰ বিপক্ষক নিজ শৰণাপন্ন কৰায়।—

| | | |
|---|---|---|
| পাছে মহাৰাজা | বিবেকৰ পতি | যুদ্ধত ভৈলন্ত জয়। |
| মহামোহ ৰাজা | ৰণ হাৰি যেৱে | অধোমুখ হুয়াছয়॥ |
| পৰম করুণা | বিবেক নৃপতি | কৃপাৰ যেন সাগৰ। |
| মোহ নৃপতিক | পুত্ৰ যি বুলিলা | শুনা তাক অনন্তৰ॥ |
| বিবেক বদতি | শুনা ইন্দ্ৰপতি | কহো মন্ত্ৰি তত্ত্বসাৰ। |
| ব্ৰহ্মা শঙ্কৰত | যি বৰ লভিলা | ত্ৰিভুবনে চমৎকাৰ॥ |
| তথাপি কৃষ্ণৰ | দাসক জিনিবৰ | নকৰিবা কিছু আশ। |
| অষ্টগুণ তেজি | নিৰ্গুণ হৰিত | ভজি হোৱা তান পাস॥ |
| তেবেসে মায়াৰ | ভ্ৰমক এৰাইবা | মন হুইব শুদ্ধাশয়। |
| শ্ৰৱণ-কীৰ্ত্তন | কৰি অণুক্ষণে | লভিয়ো ভক্তি অভয়॥ |
| ভকতৰ সঙ্গে | থাকি মহাসুখে | মুখে লৈয়া গুণ-নাম। |
| সুদৃঢ় বিশ্বাসে | কৰিয়ো ভকতি | তেৱে হৈবা পূৰ্ণকাম॥ |
| বিবেকৰ হেন | বাক্য-অমৃতত | মোহ হুয়া নৃপবৰ। |
| মায়া-পাশ ছেদি | নিৰ্মল ভৈলন্ত | সঙ্গী ভৈলা সৎসঙ্গৰ॥ |
| হুয়া নম্ৰ-ভাৱ | বিবেকৰ পাৱ | কৰিলন্ত নমস্কাৰ॥" |

কামৰূপ অনুসন্ধান সমিতিত সংৰক্ষিত এই মহামোহ-পটল ২১২ পদত সমাপ্ত। কাব্যত অন্যান্য বৈষ্ণৱ গুৰুসকলৰ লগত আউনিআটীৰ কুশদেৱ-দত্তদেৱৰ (১৮১৮-১৯০৪) নামো আছে; আৰু "শাকে ৰসে ঐশ্বৰ্য্য সিন্ধু মহী" অৰ্থাৎ ১৭৬৬ শক (১৮৪৪ খৃঃ) কাব্য সমাপ্ত বুলি দিয়া আছে। গতিকে অন্ততঃ এওঁ যে শঙ্কৰ-চৰিত ৰচয়িতাজন নহয়, সন্দেহ নাই।

ভুষণ দ্বিজও শঙ্কৰদেৱৰ চৰিত-লেখক; এই চৰিত-প্ৰকাশক দুৰ্গাধৰ

বৰকটকীয়ে এওঁক পাতনিত নৰনাৰায়ণৰ সভাকবি বুলিছে ; ই নিশ্চয় তেওঁৰ ভ্ৰম, কিয়নো সেই চৰিততে আছে, "শ্ৰীমন্ত পুৰুষোত্তম শ্ৰীশ্ৰীচতুৰ্ভুজ। শৰীৰত ভিন্ন দুইবো আত্মা একাত্মজ ॥ ৯০০।" "ঠাকুৰৰ বাক্য শুনি সৱে ভয় ভৈলা। ধৰ্মক প্ৰখ্যাত কৰি আমাত কহিলা ॥ ৯০২।" শঙ্কৰদেৱৰ দুই নাতি পুৰুষোত্তম আৰু চতুৰ্ভুজৰ মুখৰ পৰা শুনি এই চৰিত লিখা ভূষণ দ্বিজ নিশ্চয় নৰনাৰায়ণৰ (১৫৪০-৮৪) ৰাজকবি হব নোৱাৰে। সি যি হওক, অজামিল উপাখ্যান নামৰ অঙ্কৰো এওঁ ৰচয়িতা ; তাৰ গন্ধ বিতোপন (অধ্যয়ন, ১৮০ পিঃ)।

অজ্ঞাত কেইবাজনো লেখকৰ এই যুগৰ কেইবাখনো কথা পুথি পোৱা হৈছে। "কথা-পদ্মপুৰাণৰ" নিচিনাকৈ "কথা-সাত্বত তন্ত্ৰ"ও সম্ভৱ সপ্তদশ শতিকাৰ মাজ-ভাগত লিখা হৈছিল ; ই সংস্কৃতৰ এই নামৰ বা নাৰদীয় পঞ্চৰাত্ৰ তন্ত্ৰৰ কথা-ভাঙনি। (অধ্যয়ন, ১৮০ পিঃ) ইয়াৰ পূৰ্ববৰ্তী পদ-ভাঙনিত ভাগৱত-মিশ্ৰই এই বিষয়ত বিতং বিৱৰণ দিছে :—

"নাৰদ বদতি দেৱ প্ৰভু মহেশ্বৰ। শুনিবাক ইচ্ছা মোৰ কথা গোবিন্দৰ ॥
যি কাৰণে কৃষ্ণে যিবা স্বৰূপ ধৰন্ত। যি কালত জাত হোন্ত প্ৰভু ভগৱন্ত ॥
যি মতে কৰন্ত লীলা বান্ধৱ মুৰাৰি। কহিয়োক তাক পুছোঁ প্ৰভু ত্ৰিপুৰাৰী ॥"
এই অনুক্ৰমে আকৌ নাৰদৰ প্ৰশ্ন— "একখানি সংশয় মিলিছে মনোৰম ॥
বেদৰ বিহিত হিংসা যজ্ঞ কৰিলে। কিছো বধ নাহি হেন বেদবাদী বলে ॥
হিংসাৰ নিষেধ তুমি কৰিলা ইহাত। শ্ৰুতি-স্মৃতি কেনে বহে কহিয়ো আমাত ॥
শিৱ নিগদতি মুনি শুনিয়ো নিশ্চয়। প্ৰবৃত্তি নিবৃত্তি কৰ্ম্ম দুই বিধ হয় ॥
প্ৰবৃত্তি কৰ্ম্মৰ স্বৰ্গলোকে চলি চায়। পুণ্য শেষে পৃথিবীত ওপজে দুনাই ॥
হিংসা পুহু কদাপি বেদৰ মত নুই। যদি শুনা ৰাগান্ধক অনুজ্ঞাসে হুই ॥
অহিংসা পৰম ধৰ্ম্ম বেদৰ বচন। বেদৰ নিবৃত্তি মৰ্ম্ম জানিবা শোভন ॥
তন্ত্ৰ বুলি আৰু নকৰিবা অৱহেলা। ভকতি সুখৰ জানা আছে আত মেলা ॥"

এই কথা-পথিখনি নৱটি অধ্যায়ত সমাপ্ত ; কিন্তু কামৰূপ অনুসন্ধান সমিতিত সংৰক্ষিত পথিখনিৰ প্ৰথমটি আংশিকভাৱে নষ্ট হৈছে ; অৱতাৰৱাদ, অংশকলা, তিনি ভক্তি, যুগধৰ্ম্ম, হাজাৰ-মহিমা, বত্ৰিশ পাপ, সেৱাধৰ্ম্ম, তন্ত্ৰ-জন্ম আদিয়েই বাকী আঠ অধ্যায়ৰ বিষয়।

আৰু এক অজ্ঞাত লেখকৰ এখন "কথা-নামঘোষা" কামৰূপ অনুসন্ধান সমিতিত সংৰক্ষিত হৈছে ; লেখকৰ নাম আদি নাথাকিলেও পথিৰ শেষত ১৬৩৭

শক ( ১৭১৫ খৃঃ ) লিখা আছে ; ইয়াক লিপিৰ কাল বুলি ধৰিলেও মূল ৰচনা ইয়াৰ ৫০।৬০ বছৰৰ আগৰ হব পাৰে। ( অধ্যয়ন, ১৮০ পিঃ) গতিকে ই মাধৱ-দেৱৰ সমালোচনামূলক কথা-পুথি বুলিহে বুজিব পাৰি ; এই বৈষ্ণৱ লেখক-সকলৰ এই তুলনামূলক আলোচনা-ৰীতি অতি মনোৰম।

**ৰামচন্দ্ৰ বৰপাত্ৰই** মহাপুৰুষৰ কীৰ্ত্তন-ঘোষাৰ অনুকৰণত হয়গ্ৰীৱ মাধৱ পদ পুথি ৰচে ; উৰ্ব ঋষিয়ে হয়াসুৰ বধৰ বাবে বিষ্ণুক আৰাধনা কৰা, বিষ্ণুৱে হয়গ্ৰীৱ-ৰূপেৰে হয়াসুৰক বধাৰ পাছত উড়িষ্যাৰ ৰাজা ইন্দ্ৰদ্যুম্নই সাগৰত উটি অহা দাৰু কাঠৰ পৰা কেনেকৈ শ্ৰীক্ষেত্ৰত জগন্নাথ মূৰ্ত্তি থাপিলে, আৰু শেষত সেই দাৰুৰে এটি অংশ আনি উৰ্বই হাজোৰ মনিকুট পৰ্বতৰ ওপৰত হয়গ্ৰীৱ মাধৱৰ মূৰ্ত্তি থাপিলে, ইয়াত সকলো বৰ্ণাইছে। ভণিতাত লিখিছে—

"কেন্দুগুৰি নামে গ্ৰাম। শস্যে মৎস্যে অনুপাম ॥
বহে নদী অবিশ্ৰাম। দিলীহ যাহাৰ নাম ॥
তাৰ তীৰে কৰি ঘৰ। আছিলন্ত পাত্ৰবৰ ॥
বৰ-পাত্ৰ নাম লৈলা। অনেক পুৰুষ গৈলা ॥
অধিকাৰী পদ পাই। গৈল লোক প্ৰবৰ্ত্তাই ॥
সেহি বংশে ভৈল জাত। ৰামচন্দ্ৰ নামে খ্যাত ॥
বৰপাত্ৰ নাম ধৰি। আছোঁ ৰাজসেৱা কৰি ॥"

এওঁ যোগিনী-তন্ত্ৰ বুলি আৰু এখন পদ-পুথি লিখে ; তাৰ ভণিতাত লিখিছে—

"সৌমাৰ পীঠৰ গড়গ্ৰাম নাম যাৰ। সেহি স্থানে থাকি মই ৰচিলোঁ পয়াৰ ॥
নামত যোগিনী তন্ত্ৰ মহেশৰ বাণী। পৰম সাদৰে যাক শুনিলা গোসানী ॥
এক কথা কওঁ মই শুনিয়ো সম্প্ৰতি। যি কালত পুস্তক ভৈলন্ত সমাপতি ॥
প্ৰপঞ্চ কৰিয়া আৰ ৰচিবোঁ পয়াৰ। তিথি মাস বাৰ অব্দ কৰিবোঁ প্ৰচাৰ ॥
নক্ষত্ৰাদি যোগফল সকলো বৰ্ণিবোঁ। ইসবক দিয়া পদ ৰচনা কৰিবোঁ ॥
বসুগণ প্ৰথমে মিলিয়া যেৱে আছে। তাৰ বাম পাশে মহা আকাশ প্ৰকাশে ॥
তাত পাছে ধাতুসৱ যায় কালক্ৰমে। তাত অনন্তৰ চন্দ্ৰ চলে শশা সমে ॥
উত্তৰ ফাল্গুনী কন্যা সমে দিবাকৰ। তাৰ লগে হস্তা সমে আছে শশধৰ ॥"

ৰামচন্দ্ৰ যে পাণ্ডিত্য আৰু কবিত্ব উভয়ত গুণী আছিল এই ভণিতায়ো তাৰ প্ৰমাণ দিয়ে। যি হওক, ১৬০৮ শকৰ ( ১৬৮৬ খৃঃ ) আহিনত এওঁ এই পুথি সমাপ্ত কৰে

বুলি সঠিক জনা হল। ইয়াৰ পাঁচ বছৰ মানৰ আগত এওঁ হয়গ্ৰীৱ-মাধৱ পুথি ৰচে বুলি অনুমান কৰা হয়।

**ভৱানন্দ** নামে এজনে হৰিবংশৰ পদ কৰে; ভণিতাত লিখিছে, "নানা কথা নানা ধৰ্ম এহি সৱে অংশ। পুণ্যাৰ্থীৰ পুণ্য হোৱে শুনি হৰিবংশ॥ মনোহৰ শ্লোক ভাঙি ৰচি পদ বন্ধে। শিৱানন্দ সুতে কহে দীন ভৱানন্দে।" গোবিন্দ চৰিত নামৰ পুথিৰ ভণিতাৰ এঠাইত "শুনিয়োক সৱে নৰ, নাম ভৱানন্দ মোৰ" আৰু আন ঠাইত "কতো পীৰ বহিগই, চন্দ্ৰনাৰা'ণ নৃপ হই, পশিলন্ত থানক সম্প্ৰতি" বুলিছে। চন্দ্ৰনাৰায়ণৰ কাল ১৬৪৩—৬০ খৃঃ; গতিকে এই পুথি সপ্তদশ শতিকাৰ মাজ-ভাগৰ বুলি সহজে ধৰিব পাৰি। কামৰূপৰ লেচাকুছি গাঁৱৰ গোবিন্দ ঠাকুৰৰ চৰিতত, শঙ্কৰদেৱৰ আদেশত মাধৱদেৱৰ কাষত এওঁ কেনেকৈ শৰণ লৈ দেৱ-দেৱীৰ মূৰ্ত্তিবোৰ দলিয়াই পেলাইছিল সকলো বিতংকৈ ইয়াত বৰ্ণোৱা আছে। তদুপৰি দামোদৰদেৱে শঙ্কৰদেৱৰ পৰা শৰণ লোৱা কথাও ইয়াত এই বুলি লিখিছে—"শঙ্কৰয় পাশে (তেৱে) গৈলেক ব্ৰাহ্মণ। মহা বিবেকিত বিপ্ৰ নাম দামোদৰ॥ মলিন বসন অতি সুকোমল কায়া। দেখি তাঙ্ক শঙ্কৰৰ জন্মিলেক দয়া। ভাগৱতৰ-তত্ত্ব দিলা ধৰ্ম্ম পালিবাক। দিলন্ত শিক্ষাৰ মন্ত্ৰ দামোদৰদেৱক॥"

**নীলকণ্ঠৰ** ৰচিত দামোদৰ-চৰিতৰ এখন হাতে-লিখা পুথি কামৰূপ অনুসন্ধান সমিতিত আছে; অসম সাহিত্য সভাৰ পৰাও ১৯২৭ ত প্ৰকাশিত হোৱা এই পথিয়ে যি চাঞ্চল্যৰ সৃষ্টি কৰিছিল, সি এতিয়াও একেবাৰে মাৰ যোৱা নাই। এই চাঞ্চল্যৰ মূল কাৰণ নিজ স্বীকাৰোক্তি মতেই সম্পাদকে মূল পুথিখন নাচাই বা নিবিচাৰি দুজন লোকৰ হাতে-লিখা সংগ্ৰহৰ পৰা কিতাপখন অবৈজ্ঞানিকভাৱে ছপাই উলিয়ালে। কোনোবা দুখন পুথিৰ পৰা সেই সংগ্ৰহটি যুগুত কৰা বোলা হৈছে; আৰু বৰপেটাত পোৱা এখন পুথিৰ পাঠান্তৰ তাত দিছে। কিন্তু স্বৰূপতে শঙ্কৰদেৱ, মাধৱদেৱ, দামোদৰ আদিৰ ঘাই ক্ৰীড়াভূমি বৰপেটাৰ পুথি মূল কৰি লোৱা স্বাভাৱিক হলহেতেন, আৰু তেতিয়া হলে বহুত বেমেজালি পাতলিলহেতেন বুলি বুজিব পাৰি। পুথিৰ আৰম্ভণঃ "শঙ্কৰ-মাধৱ দামোদৰ এক কায়। তিনিও মূৰ্ত্তিৰ একো ভিন-পৰ নাই॥ এৰৈকৰ স্মৰণে হৌক তিনিৰো স্মৰণ। তিনি মূৰ্ত্তি দামোদৰ চৰণে শৰণ॥" বায়চৰণ আৰু দৈত্যাৰি ঠাকুৰ আদিৰ দৰেই, দামোদৰদেৱে নিজ পিতাক সতানন্দৰ লগত পোনৰ বাৰ

শঙ্কৰদেৱৰ কাষলৈ গৈ চা-চিনাকি হৈ তাৰ পাছত অকলে অনেক বাৰ গৈ শেষত তেওঁৰ পৰা ভাগৱতী ধৰ্ম গ্ৰহণ কৰা কথাকে কৈছে॥

**ৰমাকান্তৰ** বনমালীদেৱ চৰিতো সেইদৰেই অসম সাহিত্য সভাৰ পৰা অবৈজ্ঞানিকভাৱে প্ৰকাশিত হৈ অনেক চাঞ্চল্যৰ সৃষ্টি কৰিছিল। দামোদৰ চৰিতৰ দৰেই ইয়াতো শঙ্কৰদেৱৰ নামৰ ঠাইত চৈতন্যদেৱৰ নাম জাল্ কৰা বুলি বহুত ঠাইত সন্দেহ হয়, বিশেষকৈ যিহেতুকে শঙ্কৰদেৱৰ চাৰি নামৰ বাহিৰে চৈতন্যদেৱৰ যোল নাম সেইবোৰ ক্ষেত্ৰত নাই। সম্পাদকে এই পুথি সপ্তদশ শতিকাৰ শেষ দশকৰ বুলিছে ; পুথিৰ শেষত শাওণ, ১৬৮৮ শক ( ১৭৬৬ খৃঃ ) লিখা, আৰু তাৰ ৰচনাৰ কালো ইয়াতকৈ সৰহ আগৰ যেন নালাগে। **পূৰ্ণানন্দ** নামৰ এজনৰ গোপালদেৱ চৰিত্ৰও এই সময়ৰে।

**শিষ্ট ভট্টাচাৰ্য্যৰ** শিশুপালবধ কাব্যও এই কালৰে ; কবিৰ বিষয়ে একো বিশেষ জনা নাই। এওঁৰ ৰচনা যেনে সৰবৰহী তেনে আৰ্বাচীন যেন লাগে।—

"হাসিয়া হাসিয়া শ্ৰীকৃষ্ণে বোলয় শুন তই শিশুপাল।
ৰাজ-সমাজত এতেক কদৰ্থ তই কতমান ভাল॥
ৰাজ সমাজত এতেক কদৰ্থি তেও যে তুষ্ট নভৈলি॥
কোননো বিধাতা সৃজিলেক তোক হৃদয় কঠিয়াতলী॥
ভোবোলা ছাগলি সিংহক সিয়াবে আপোনাক বৰ মানি।
ভতুৱা কুকুৰে কামোৰ মাৰয় গৃহস্থ চোৰ নজানি॥
নৰক দেখিলে শৃগাল ওলাই লুকাই বন সোমায়।
গধূলি পুৱাহে আটাস পাৰয় মোত কবি বৰ নাই॥…
হাতী চুৰি কৰি যায় আগে আগে, বেঙেনা-চোৰক ধৰে।
নাকটি কাটিলে লাজ নলাগয়, নখটি কাটিলে মৰে॥….
তোৰ তিৰস্কাৰে জানিবি আমাৰ সি পুন গাৱ নোছোৱে।
যতেক কুকুৰে কামোৰ মাৰয় আঠুৱে সে নাম হোৱে॥"

**কবিৰাজ বিপ্ৰৰ** শিয়াল-গোসাঁই নামৰ পুথি কোনোৱে ১৬১৬ত ৰচিত বুলিলেও প্ৰকৃততে সি অষ্টাদশ শতিকাৰ আগৰ যেন নালাগে। কবিৰ চিনাকি —"সূৰ্য্যবিপ্ৰ কুলে জন্ম মই অধমৰ। দৰঙ্গৰ মধ্যে গ্ৰাম ছপাবাত ঘৰ॥ নামে কবিৰাজ কবি স্বচ্ছন্দ সদাই। চাউল মাগি খুৱৌ এহি কবিতা বৰ্ণাই॥" ইয়াৰ

বিষয় বস্তু : ধৰ্মদেৱ ভুঞা নামৰ বামুণ এজনৰ কুণ্ডতাৰা আৰু ছন্দতাৰা বুলি দুজনী ঘৈণীয়েকৰ দ্বন্দ্ব লাগি কুণ্ডতাৰাই ছন্দতাৰাৰ কেচুৱাটি হাবিত লুকুৱাই থোৱাত এজনী শিয়ালে তাক তুলি ললে। "এক দিনা প্ৰভাতত, সূৰ্য্য মহা উদয়ত, আসি বাজ ভৈলেক গৰ্ত্তৰ," আৰু পিতাক ঘূৰি আহি পুতেকক উদ্ধাৰ কৰি আনিলে।

**কবিৰাজ চক্ৰবৰ্ত্তীয়ে** ভাস্বতী নামৰ সংস্কৃত জ্যোতিষ গ্ৰন্থৰ কথা-ভাঙনিত এই বুলি এটি শ্লোকেৰে আত্মপৰিচয় দিছে: "ৰবিপদকমলম্ প্ৰণম্য মূৰ্দ্ধা স্থমতিকৰম্ খণ্ডে ভাস্বতী প্ৰবন্ধে। ৰচয়তি কবিৰাজ চক্ৰবৰ্ত্তী নিজ স্তুত মহাভিদে কথাম্ দ্বিজাগ্ৰে॥" সামৰণিত কথাৰে লিখিছে, "শ্ৰীমন্ত ডাক আত্মজ সৰস্বতী শ্ৰীকবিৰাজ চক্ৰবৰ্ত্তী বিৰচিত ভাস্বতী শাস্ত্ৰৰ কথা সমাপ্ত হইল।" ইয়াৰ পৰা বুজিব পাৰি পুতেক-পিতাক দুয়ো পৰম পণ্ডিত আছিল; অসমীয়া ভাস্বতীও সংস্কৃতৰ আখৰুৱা ভাঙনি মাত্ৰ নহয়, আৰু য'তে তেওঁ মূলৰ পৰা ফালৰি কাটিছে ত'তে সূৰ্য্যসিদ্ধান্ত আৰু মহাজ্যোতিষৰ মূল উদ্ধৃত কৰিছে। এওঁৰ ঘাই নাম ৰামনাৰায়ণ আৰু এই নামেৰেই তেওঁ সংস্কৃত বিহু-উৎসৱৰ এটি বৰ্ণনা লিখিছিল। এওঁ ৰুদ্ৰসিংহ (১৬৯৫-১৭১৪) আৰু শিৱসিংহ (১৭১৪-৪৪) দুইবো ৰাজকবি আছিল; আৰু "বৰৰজা" ফুলেশ্বৰীৰ আদেশত ১৭১৪ত শঙ্খচূড়বধ কাব্য লিখে:

"সৌমাৰ পীঠৰ শিৱসিংহ অধিপতি। হৰি-হৰ চৰণত সদা যাৰ মতি॥
তাহান আছিল জায়া ফুলেশ্বৰী নাম। পত্নীগণ মধ্যে শ্ৰেষ্ঠ গুণে অনুপাম॥
হেন নৃপ মহিষীৰ আজ্ঞা শিৰে ধৰি। কবিৰাজ চক্ৰবৰ্ত্তী মতি অনুসৰি॥
পৰম সুন্দৰ ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ। ব্যাসদেৱে বান্ধি আছা নানা উপাখ্যান॥
বৈষ্ণৱৰ মধ্যে সাৰ শঙ্খচূড় নাম। দানৱৰ অধিপতি গুণে অনুপাম॥"

ৰাণী প্ৰমথেশ্বৰীৰ (ঘনকান্তি) আজ্ঞাত ১৭০৮ত ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণৰ কৃষ্ণজন্ম খণ্ডৰ পদ এনে লিখে:

"ইন্দ্ৰৰ বংশত ৰুদ্ৰসিংহ নৰপতি। সৌমাৰ দেশৰ পতি ভৈলা মহামতি॥
তাহাৰ প্ৰথম পুত্ৰ শিৱসিংহ ৰাই। দেৱতা বিপ্ৰত ভক্তিমন্ত শুদ্ধ কায়॥
নামত প্ৰমথেশ্বৰী শুদ্ধ স্বচ্ছ জায়া। ইন্দ্ৰৰ ৰমনী যেন আদিত্যৰ ছায়া॥
হেন শিৱসিংহ ৰাজা প্ৰমথ ঈশ্বৰী। মনুষ্য লোকত যেন শিৱ মহেশ্বৰী॥
তাহান আদেশ-মালা শিৰোগত কৰি। কবিৰাজ চক্ৰবৰ্ত্তী মতি অনুসৰি॥

পুৰাণৰ শ্ৰেষ্ঠ ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ। কৃষ্ণজন্ম খণ্ড তাতে পৰম প্ৰধান ॥
তথাপিতো পদবন্ধে দেশ-ভাষা ধৰি। মতি অনুসাৰে বিৰচিলোঁ যত্ন কৰি ॥"

ফুলেশ্বৰীৰ আদেশ মতে এওঁৱেই গীত-গোবিন্দৰ পদ কৰে বুলি কয় (৯৮ পদ), কিন্তু তাৰ ভণিতাৰ পৰা সি প্ৰমাণিত নহয়: "ভণে দ্বিজবৰে, শুনা সৱ নৰে, চাড়া ভাৱ-ভুৰ কাম ॥" "ভণে কবি দ্বিজবৰে এৰা আন কাম।" আদিত ক'তো কোনো ৰামনাৰায়ণ বা কবিৰাজৰ নাম নাই।

**শুভনাথ দ্বিজয়ো** শিৱসিংহৰ আমোলতে আঃ ১৭২০ত ধৰ্মসংবাদ কাব্য লিখে; ধৰ্মৰাজ যমে চণ্ডালৰ বেশেৰে পুতেক যুধিষ্ঠিৰক কৰা প্ৰশ্নাদিৰ বিৱৰণ সুন্দৰ। ভণিতাত দিছে—

"অশ্বমেধপৰ্ব ভাৰতৰ মধ্যে সাৰ। শ্লোক অৰ্থ চাই পদ নিবন্ধিলোঁ তাৰ ॥
শিৱসিংহ ধৰ্মৰাজ গুণে নাৰায়ণ। কৰন্ত ভকতি সদা কৃষ্ণৰ চৰণ ॥
তাহান আদেশ পাই দ্বিজ শুভনাথে। ৰচিলা পয়াৰ হৰিপদ ধৰি মাথে ॥"

সোণাৰাম চৌধাৰীৰ মতে ওপৰৰ তৃতীয় শাৰী পদ হৰ লাগে "শিৱবংশে ধৰ্ম ৰাজা হয়ে নাৰায়ণ", আৰু সেইদেখি শুভনাথে ষোড়শ শতিকাত নৰনাৰায়ণৰ আদেশত ইয়াক লিখা: এনে অনুমানত যুক্তিৰ বলতকৈ গাৰ বলহে দেখা পোৱা হয়, আৰু পদফাকিও তেনেদৰে ধৰক-বৰক হয়। ৰামসৰস্বতী প্ৰমুখ্যা কোনেও নৰনাৰায়ণৰ বিষয়ে এনে দুৰ্বলভাৱে লিখা নাই; আৰু "শিৱবংশে" "হয়ে নাৰায়ণ" আদি শব্দ-গাঁথনিও সন্দেহজনক। "দৰং-ৰাজবংশাৱলী"ত বৰ্ণোৱা নৰনাৰায়ণৰ সভাকবিবোৰৰ মাজতো শুভনাথৰ ঠাই নাই, আৰু "ধৰ্মসংবাদো" তেনে পুৰণি যেন নালাগে। ৰামৰায়ৰ পুতেক **কেশৱদেৱে** আঃ ১৭৪৩-৫৩ত সপ্তম আৰু নৱম স্কন্ধ ভাগৱতৰ পদ ভাঙে; ভণিতাত আছে, "শ্ৰীমন্ত শঙ্কৰ যিটো, কুলত কায়স্থ তেহোঁ, পৰম পণ্ডিত গুণশীল। তাহান ভ্ৰাতৃৰ নাতি, যদিৰা আমাক বোলে, তথাপিতো তাহান কিঙ্কৰ।...গুৰুশিক্ষা অনুসৰি, টীকা-ভাষ্য মত ধৰি, পদ কৈলোঁ নৱম স্কন্ধৰ।" **বিদ্যাচন্দ্ৰ** কবিশেখৰ নামে এজনেও আঃ ১৭৬০ত হৰিবংশৰ পদ কৰে; ভণিতাত আছে:

"সৰ্বদেশে ৰাজা ভৈলা সেহি দিনে ধৰি। ইন্দ্ৰৰ প্ৰতাপে পাইলা দেশ-দেশান্তৰি ॥
সেহি বংশে ৰাজেশ্বৰ সিংহ নৰপতি। শান্ত দান্ত শিষ্ট মিষ্ট অতি শুদ্ধমতি ॥
তাহান তনয় চাৰু সিংহ মহামতি। গুণীগণ মধ্যে শ্ৰেষ্ঠ বিপুল শকতি ॥
তান পত্নী প্ৰেমদা নামত মনোনীতা। সৰ্ব গুণৱতী যেন দ্ৰুপদ-দুহিতা ॥

তাসম্বাৰ আজ্ঞা-মুক্তামালা শিৰে ধৰি। শ্ৰীকবিশেখৰ ভট্টাচাৰ্য্য দ্বিজ হৰি ॥
ভাষা-বন্ধে নিবন্ধিত হৰিবংশ পদ। শুনা নিঃশবদে শুদ্ধ বুদ্ধ সভাসদ ॥"

এইসকলৰ উপৰিও সৰু-সুৰা অনেক লেখকৰ পুথি আছে। আদি-পৰ্ব মহাভাৰতৰ কোনো পুথিত ৰাম সৰস্বতীৰ, আৰু কিছুমানত ৩৮৮ পদলৈ অনিৰুদ্ধ দাসৰ ১০৪ পদলৈ শ্ৰীনাথ দ্বিজৰ, আৰু ১৫০৫ পদলৈ দামোদৰ বিপ্ৰৰ ভণিতা আছে; শ্ৰীনাথে কোচ ৰজা প্ৰাণনাৰায়ণৰ (১৬৩৩-৬৬ খৃঃ) উল্লেখ কৰিছে। শৈল পৰ্ব মহাভাৰতৰ আৰম্ভণিত "ধৰ্মনাৰায়ণ ৰঘুদেৱৰ সন্তান। পৰম সুন্দৰ বীৰ সৰ্বৰসজ্ঞান ॥" আৰু সামৰণিত "মনুষ্য হৈবাৰ জানা এহি মানে কাম। দ্বিজ দামোদৰে ভণে বোলা ৰাম ৰাম ॥" আকৌ আন এঠাইত, "বিপ্ৰ দামোদৰ কহে নিৰন্তৰ" ইত্যাদি। এই দ্বিজ বা বিপ্ৰ দামোদৰে নিজ পৃষ্ঠপোষক ৰূপে উল্লেখ কৰা ৰজা মকৰধ্বজ সম্ভৱ ৰঘুদেৱৰ সমসাময়িক মহেন্দ্ৰনাৰায়ণ (১৬৩৭-৪৩ খৃঃ)। অশ্বমেধ পৰ্ব মহাভাৰতৰ তিনিজন লেখক গঙ্গাদাস সেন, সুবুদ্ধি ৰায় আৰু ভৱানী সেন; সেই কালত এই বঙালী লেখকৰ অসমীয়া ৰচনা কৌতুহলৰ কথা নিশ্চয়। ১৭৬৪ খৃঃ মানত লক্ষ্মীনাথ দ্বিজই শান্তিপৰ্ব মহাভাৰত ৰচে; এওঁ কামৰূপৰ হেলেচাৰ সংস্কৃত পণ্ডিত। সৰ্বানন্দৰ নাতিয়েক ব্ৰহ্মচাৰী অলকানন্দৰ অৰ্জুন-গীতা, বৈষ্ণৱ-গীতা আৰু গুপ্তসাৰ নামৰ তিনিখন পুথিও পোৱা হয়। গুপ্তসাৰ আদিত শঙ্কৰদেৱৰ ৰচনা আৰু শিৰৰ জুনা পুথিত শঙ্কৰদেৱৰ ভণিতা নিশ্চয় জাল্। নৰোত্তম ঠাকুৰৰ ভক্তি-প্ৰেমাৱলী শঙ্কৰ-মাধৱৰ কীৰ্ত্তন-ঘোষাৰ অনুকৰণত লিখা; কিন্তু ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ এখনৰ পদত নৰোত্তম বিপ্ৰ, নৰোত্তম দ্বিজ, আৰু নৰোত্তম দাসৰ আৰু এখনত বলোৰাম, নন্দীশ্বৰ আৰু খগেশ্বৰ দৈৱজ্ঞৰ ভণিতা পোৱা হয়। হৰিদাস বিপ্ৰই অশ্বমেধ পৰ্ব মহাভাৰতৰ আৰু নাৰায়ণ দাসে অৰ্জুন-সম্বাদৰ পদ কৰিছিল; "শুনা সভাসদ, গীতা ভাগৱত, কৃষ্ণে অৰ্জুনক কৈলা। গুৰুৰ আজ্ঞাত, নাৰায়ণ দাসে, পদবন্ধে নিবন্ধিলা।" বিষ্ণুৰাম দ্বিজই দাতাকৰ্ণৰ পদত লিখিছে, "দ্বিজ বিষ্ণুৰামে কহে বিষ্ণুৰ আদেশে। কৰ্ণে কৃপা কৈলা প্ৰভু ব্ৰাহ্মণৰ বেশে।" লক্ষ্মীচৰিত্ৰ পুথি এখনত ৰাম সৰস্বতীৰ আৰু আন এখনত জগন্নাথ দ্বিজৰ ভণিতা পোৱা হয়। ভৱদেৱ বিপ্ৰই নাগাক্ষ যুদ্ধ কাব্যত হনুমানৰ নাগাক্ষৰ লগত যুদ্ধৰ বৰ্ণনা দিছে। ৰুদ্ৰৰামে নীতিৰত্নৰ পদত বিক্ৰমাদিত্যৰ নৱৰত্নৰ সভাত হোৱা বুলি নীতিৰ আলোচনা কৰিছে।

"জনমে জনমে হৌক ৰামত ভকতি। অদ্ভুত আচাৰ্য্য কবি মধুৰ ভাৰতী ॥"
এই ভণিতাৰে এজনে লঙ্কা কাণ্ড ৰামায়ণৰ পদ কৰিছে। কামৰূপ অনুসন্ধান-সমিতিত থকা স্বপ্নাধ্যায়ৰ পদত এজন অজ্ঞাত কবিয়ে লিখিছে :

"প্ৰথম প্ৰহৰে স্বপ্ন যিজনে দেখয়। বৎসৰেক মানে তাৰ ফলক পাৱয় ॥
দ্বিতীয় প্ৰহৰে স্বপ্ন দেখে যিটো জন। তাৰ ফল পায় জানা ছয় মাস মান ॥"
"স্বপ্নত কধিৰ বহে যাহাৰ শৰীৰে। দুহিবা কধিৰ স্নান কৰে যিটো জনে ॥
স্বপ্নত ইসৰক দেখে যিটো নৰে। ব্যাধি গুচি কল্যাণক পাৱয় অচিৰে ॥"

অম্বৰীশ দ্বিজই জয়ধ্বজ সিংহৰ কালত (১৬৪৮—১৬৬৩) আউনিআটী সত্ৰাধিকাৰ কেশৱদেৱৰ,, আৰু বিষ্ণানন্দ ওঝাই ঠাকুৰ-চৰিত বুলি শঙ্কৰদেৱৰ বৰপুতেক ৰামানন্দৰ ফালৰ নাতি পুৰুষোত্তম আৰু সৰু পুতেক হৰিচৰণৰ ফালৰ নাতি চতুৰ্ভুজ ঠাকুৰৰ জীৱনী লিখে। এই অনুক্ৰমে আৰু বহুত সৰু-সুৰা লেখক আৰু পুথি আছে।

মহাভাৰতৰ মুষল পৰ্ব ৰচোঁতা **পৃথুৰাম দ্বিজই** লিখিছে, "জয়যুক্ত প্ৰতাপ-বল্লভ মন্ত্ৰীবৰ। সন্ধিক বংশত জন্ম গুণৰ মন্দৰ ॥ মুনি চন্দ্ৰ সিদ্ধ চন্দ্ৰ শকে মন্ত্ৰীক পাইলা। বৰ্ণ কবি শক্ৰ নাশি যশক ৰাখিলা ॥" নিয়মমতে সিদ্ধ=৪ ধৰিলে ই ১৪১৭ শক (১৪৯৫ খৃঃ); কিন্তু সিদ্ধ=মুনি বুলিলে ১৭১৭ শক (১৭৯৫ খৃঃ) হয়। পঞ্চদশ শতিকাত কোনো আহোম বৰুৱা-মন্ত্ৰীয়ে অসমীয়া সাহিত্যৰ পৃষ্ঠপোষকতা কৰা সম্ভৱ নহয়; তাৰ লগতে ভাষা আদি আভ্যন্তৰিণ প্ৰমাণ ধৰিলে এই পুথি অষ্টাদশৰ শেষভাগৰ। এনে বেয়েজালিৰ আন এখন জনাজাত পুথি **দীপিকাচন্দ্ৰ**; "চাৰি ৰূপ ধৰি শ্ৰীৰাম লক্ষ্মণ ভৰতাই শত্ৰুঘন। তাহান বংশত জন্ম ভৈলোঁ মই পামৰ পুৰুষোত্তম ॥" এই পুৰুষোত্তম গজপতিৰ নামৰ পুথিখনি কোনোৱে ত্ৰয়োদশ, কোনোৱে একাদশ বা কোনোৱে ষষ্ঠ শতিকাৰ কোনো অসমীয়া কবিৰ মূল পুথি বুলি আহিছিল; কিয়নো তেওঁলোকে ওপৰৰ ভণিতাৰ সম্পূৰ্ণ তাৎপৰ্যলৈ আওকাণ কৰি অসমৰ জিতাৰি ফৈদৰ কোনোবা ৰামচন্দ্ৰ বৰুৱাৰ বংশধৰে এই পুথি লিখা বুলি আকোৰ-গোজালিকৈ ধৰি লৈছিল। কিন্তু মাধৱদেৱৰ অনূদিত নাম-মালিকাৰ ৰচয়িতাও যে পুৰুষোত্তম গজপতি নামৰ এজন উড়িষ্যাৰ ৰজা, আৰু তেওঁৰ এই সংস্কৃত গ্ৰন্থৰ নকল এটি কোনোবা জগন্নাথ-যাত্ৰীৰ যোগেদি আহিহে শঙ্কৰদেৱ-মাধৱদেৱৰ হাতত পৰিছিল, আৰু উক্ত ভণিতাত বৰ্ণোৱা ৰামচন্দ্ৰ দশৰথ-পুত্ৰৰ বাহিৰে আন যেতিয়া হব নোৱাৰে

তেন্তে তেওঁৰ বংশধৰ অযোধ্যা-উড়িষ্যা আদিত বাদে অসম আদিত বিচৰা বাতুলতা মাত্ৰ, এনে এপোণ-ছৰ্ঁৰা যুক্তিলৈ মন নকৰাও আচৰিত কথা। এওঁৰে হংসকাকি আৰু যামল সংহিতাৰ পৰা লিখা বুলি স্বীকাৰ কৰা **ৰুদ্ৰযামলৰ** ভণিতাত আছে, "পদ বঢ়া হোৱা বুলি আমি নিলিখিলোঁ। দীপিকা চন্দ্ৰক চাই সংক্ষেপিয়া থৈলোঁ॥" তেনেহলে এই তিনিওখন পুথিয়েই সেই নামৰ একেজন উড়িষ্যাৰ বজাৰ, শঙ্কৰদেৱৰ ভক্তি-ৰত্নাকৰৰ দৰে, সংগৃহীত সংস্কৃত গ্ৰন্থৰ পৰা মাধৱদেৱ আৰু পৰবৰ্তী কোনোবা অসমীয়া কবিয়ে ভাঙনি কৰা যে সন্দেহ নাই; কিয়নো আন দুখন পুথিৰ ভাষা মাধৱদেৱৰ নাম-মালিকাৰ ভাষাতকৈ অৰ্বাচীন। অৱশ্যে গুৰু-গুণমালাত "গজপতি সন্ত, শৰণ লৈলন্ত" বুলিছে; কিন্তু এওঁ যে শঙ্কৰদেৱৰ অসমৰ শিষ্য তাক কোৱা নাই, আৰু গজপতিৰ উপৰিও আন বহুত জনে বিভিন্ন দেশত শঙ্কৰদেৱৰ ধৰ্মত শৰণীয়া হোৱাৰ কথা লিখা আছে। পুথিখনৰ নাম বহুতে "দীপিকা-চন্দ" বোলে; কিন্তু ভিতৰৰ অধ্যায়বিলাক বিভিন্ন "কলা" বুলি বৰ্ণোৱাত "চন্দ" নহৈ "চন্দ্ৰ" হব লাগে বুলি ভাবিব পাৰি। দীপিকাচন্দ্ৰ যে বৈষ্ণৱ যুগৰ শেষ কালৰ ভাঙনি, এই পদ কেফাকিয়েই তাৰ চূড়ান্ত প্ৰমাণ—"দেখি কৃপাময় হৰি। নৰৰূপে অৱতৰি॥ চৈতন্য-শঙ্কৰ বেশে। ৰামানন্দ-হৰিব্যাসে॥ এহি চাৰি ৰূপ হৈব। নিজ যশ প্ৰচাৰিব॥"

## অন-বৈষ্ণৱ আৰু বৈষয়িক পদ্য-গদ্য

**অনন্ত আচাৰ্য্যই** আনন্দ-লহৰী কাব্যৰ ভণিতাত লিখিছিল,—

"সৌমাৰ পীঠৰ সম নাহি ( ৰাজ্য ) আন। যততে থাকন্ত যাত ভৱানী ঈশান॥
সেহি পীঠ মধ্যে আছে পুৰী নানা থান॥ কেহো নোহে যজ্ঞপুৰ নগৰী সমান॥
সেহিসে নগৰী জানা দুতি অম্ৰাৱতী। তাতে শিৱসিংহ ভৈলা দুতি সুৰপতি।
প্ৰমথেশ্বৰীকে কৈলা তান পটেশ্বৰী। ৰূপে গুণে কৌতো যাৰ নাহি সৰিবৰি॥
তাসম্বাৰ সঙ্গে থাকি মই বিদ্যাহীন। ৰজা দুজনাৰ হিত বাঞ্ছো প্ৰতিদিন।
অনন্ত আচাৰ্য্যে ভণে এৰি আন বাণী। নিৰন্তৰে বোলা লোকে শঙ্কৰ-ভৱানী॥"

**ৰুচিনাথ কন্দলীয়ে** আঃ ১৭৫৫ত কল্কিপুৰাণ আৰু ১৭৫৯ ত মাৰ্কণ্ডেয় চণ্ডীৰ পদ কৰে; তাৰ পৰিচয়ত লিখিছে—

বাসৱ বংশত জাত, কদ্রসিংহ নামে খ্যাত, সৌমাৰ পীঠৰ অধিপতি।
কামৰূপ অধিকাৰী, দুৰ্জ্জনৰ দণ্ডকাৰী গদাধৰ সিংহৰ সন্ততি।
ৰঙ্গপুৰ নামে এক তেহে পুৰ কৰিলেক থাকিলেক তৈতে বিপ্রগণ॥
নানাস্থান হন্তে নিয়া বৃত্তি-বিধানক দিয়া আনিলেক অনেক ব্রাহ্মণ॥
সি স্থানত বিপ্রবৰ নানাগুণে গুণাকৰ ভৈল কৃপাচাৰ্য্য শুদ্ধমতি।
তান পুত্র কচিনাথে দুৰ্গাক সেৱিয়া মাথে চণ্ডীপদ ৰচিলা সম্প্রতি॥"

"লোহিতৰ উত্তৰকূলত অনুপাম। এক দেশ আছে নাৰায়ণপুৰ নাম॥
তথাতে আছিল ৰত্ন কন্দলী ধৰ্ম্মাদি। কাশ্যপ গোত্রত জাত বিপ্র সত্যবাদী॥
তান বংশে জাত ভৈলা বিপ্র ৰামপতি। তামোলবাৰীত তান ভৈলেক বসতি॥
পাছে তান পুত্র ৰঘুপতি ভৈলা জাত। সেই মই বিপ্র অল্পমতি কচিনাথ॥
কল্কী পুৰাণৰ পদ কৰিলোঁ হো আগে। ৰচিলোঁ চণ্ডীৰ পদ এবে অনুৰাগে॥"

এইবোৰৰ উপৰিও 'গীতৰ পুথি' নামৰ সংগ্রহতে কৰিব পৃষ্ঠপোষক ৰজা-সকলৰ নামতো দুই চাইটি গীত পোৱা হৈছে।—

## রুদ্রসিংহৰ গীত—গৌৰীবন্দন—ৰাগ গান্ধাৰ

আইল গৌৰী প্রসন্ন মন। পূৰ্ণিমাৰ শশীসম জ্বলয় বদন॥
শিৰত কিৰীটি গাৱে অমূল্য বসন। কৰ্ণে কুণ্ডল শোভে কণ্ঠাভৰণ॥
দশভুজে দশ অস্ত্র ধৰিছা সধনে কটিত কঙ্কি বাজে নূপুৰ চৰণে॥
ৰূপৰ উপমা দিব পাৰে কোনজনে। নমি গৌৰী-পাৱে ৰুদ্রসিংহ নৃপে ভণে॥

## শিৱসিংহৰ গীত—ৰাধাচৰিতম্—ৰাগ দেৱ গান্ধাৰ

শাৰদ পূৰ্ণিমা হিমকৰ বদনী। চঞ্চল নীল নলিনীদল-নয়নী॥
চঞ্চল লোচনে কাজৰ ৰঙ্গি। ভাবুক মনে কুটিলতৰ ভঙ্গি॥
প্রাতৰুদিত ৰবি সিন্দুৰ কান্তি। সজল মুকুতা ফল দশন পান্তি॥
সজল জলদ ইব কুণ্ডল জালে। পৰিমল শোভিত মালতী মালে॥
মৃগমদ-কুঙ্কুম চৰ্চ্চিত দেহা। তৰল ঘনান্তৰ দামিনী ৰেহা॥
শ্রীফল বিফলিত কুচযুগ লোলে। মত্ত দ্বিৰদগতি অতিশয় দোলে॥
ৰাজা শিৱসিংহ ইহ ৰস ভণিতম্। ৰমণী শিৰোমণি ৰাধা-চৰিতম্॥

**সূৰ্য্যখড়ি বলদেৱ দৈৱজ্ঞৰ** ১৭৯৮ ৱ দৰঙ্গ-ৰাজবংশাৱলী আৰু **ৰতিকান্ত দ্বিজৰ** ১৮০২ ৱ ৰাজবংশাৱলী এই যুগৰ ব্যক্তিগত চৰিত আৰু জাতিগত বুৰঞ্জী সাহিত্যৰ মাজৰ এক সোণালী সাঁকো আৰু অসমীয়া সাহিত্যলৈ এক বিশিষ্ট বৰঙনি। অন্ততঃ কোচ ৰাজবংশৰ উৎপত্তি প্ৰসঙ্গত পুৰাণ আৰু ইতিহাসৰ জোৰা লগাবৰ যি চেষ্টা সূৰ্য্যখড়িয়ে দেখুৱাইছে সি আমোদজনক।—

"ৰেণুকা বোলয় বাপু শুনিয়ো বচন। মহাদুষ্ট সহস্ৰাৰ্জ্জুনৰ পুত্ৰগণ ॥
তযু পিতৃ বসি আছে চিন্তিয়া হৰিক। সেহি বেলা কাটিলেক তোমাৰ পিতৃক।
শিৰ গোট লৈয়া গৈলা আপুন ভৱনে ॥ হেন শুনি ক্ৰোধিলন্ত ৰামনাৰায়ণে ॥
প্ৰলয়ৰ মেঘে যেন সঘনে গৰ্জ্জন্ত। সেহি মতে ৰামে ক্ৰোধে গৰ্জ্জিয়া বোলন্ত ॥
শুনা মাতৃ তযু আগে কৰোঁ অঙ্গীকাৰ। সত্যে সত্যে সত্যে মঞি বোলোঁ বাৰম্বাৰ ॥
যত ক্ষত্ৰীগণ আছে পৃথিবীক ভৰি। নিক্ষত্ৰীয় কৰিবোঁ সকলে বসুন্ধৰী ॥
তাৰে বাৰ জন ৰাজপুত্ৰ পলাই গৈলা। চিকণাবাৰীত গৈয়া সোমাই ৰহিলা ॥
সহস্ৰাৰ্জ্জুনৰ পুত্ৰ যিটো বাৰ জন। ৰাম ভয়ে মদ্য ভাত কৰিলা ভোজন ॥
ভয়তে থাকিয়া মেচনীত দিলা জাত। তান বীৰ্য্যে পুত্ৰ জন্ম ভৈলা অসংখ্যাত ॥
কতো দিন অনন্তৰে অৰাজক হৈলা। হৈহৈৰ সন্ততি বাৰ ঘৰ মেচ ভৈলা ॥
পানবৰ ফেদেলা আনৱৰ গুৱাবৰ। ফেদফেদো বৰিহনা মেচ শ্ৰেষ্ঠতৰ ॥
কাঠিয়া বৈহাগু মেঘা যুদ্ধাবৰ নাম। গড়কাটা জগাই ডোঁখোৰা অনুপাম ॥
এহি বাৰ জনা মেচ পৰম প্ৰৱল। সৱাৰ উপৰি শ্ৰেষ্ঠ হাৰিয়া মণ্ডল ॥
তান ভাৰ্য্যা নামে হীৰা পৰমা সুন্দৰী। সাক্ষাতে দেখিয়ো যেন মত বিদ্যাধৰী ॥
এক দিনা মহেশ্বৰ দেৱ ত্ৰিনয়ণে। অবাজ ভৈলন্ত দেখি গুণিলন্ত মনে ॥
কৈলাসৰ হন্তে হৰ পৃথিবীক আসি। হাৰিয়া মণ্ডল ৰূপে থাকিলা প্ৰকাশি ॥
হাৰিয়াক লাগিয়া হীৰাই নেন্ত ভাত। দেখিলন্ত বসি আছে আৱক জোৰাত ॥
কি কাৰ্য্যে বসিছা বুলি পুছিলা হীৰাই। হাৰিয়া মণ্ডলে বোলে ভোকে প্ৰাণ যায় ॥
হেন শুনি হীৰা আথে-বেথে পানী আনি। থানক পৱিত্ৰ কৰি দিলা মনে জানি ॥
টোপোলা মেলিয়া দিলা ষড়ৰস অন্ন। পৰম আনন্দে শিৱে কৰিলা ভোজন ॥
মনোৰঙ্গে সদাশিৱে হাসি কৌতূহলে। হীৰাক হৰিলা সেই শিলিখাৰ তলে।
হীৰাৰ জন্মৰ কথ শুনিও সম্প্ৰতি। পূৰ্ব্ব জন্মে হীৰা আছিলন্ত ভগৱতী ॥
তান বীৰ্য্যে পুত্ৰ এক ভৈলা অনুপাম। দয়াত থাকিয়া জাত ভৈলা বিশু নাম ॥"

এই বিশুৱেই অৱশেষে বিশ্বসিংহ।

অজ্ঞাত লেখকৰ হৰগৌৰী সম্বাদ কথা-পুথি এই যুগৰে। ই এই নামৰ সংস্কৃত গ্ৰন্থৰ ভাঙনি। ইয়াত ভাৰতৰ বিভিন্ন পীঠ আৰু মন্দিৰ, পুৰণি ভৌগোলিক বিভাগ, পুৰণি বজাসকলৰ বিৱৰণ, বশিষ্ঠ মুনিৰ শাপ আৰু তাৰ পৰা মুক্তিৰ কাল আদি বৰ্ণনা আছে। গোৰক্ষনাথৰ সংস্কৃত কামৰত্ন তন্ত্ৰ কথা-ভাঙনিৰ এখনি ১৯২৬ ত ছপা হৈ ওলাইছে; ইয়াতে লেখকৰ নাম আৰু ভাঙনিৰ কাল লিখা নাই। আৰম্ভণ: "শ্ৰীকৃষ্ণায় নমঃ। অথ শিৱ-পাৰ্ব্বতী সম্বাদ। একদিনা পাৰ্ব্বতীয়ে শঙ্কৰক সোধন্ত, প্ৰভু, কামৰত্ন তন্ত্ৰ মোত কহা। শঙ্কৰে কহন্ত, জানা পাৰ্ব্বতী, বশ আকৰ্ষণ বিদ্বেষণ স্তম্ভন মাৰণ শান্তি পুষ্টি আদি কৰি এই কৰ্ম্মসকল তাহাকে কহোঁ।" তন্ত্ৰ-মন্ত্ৰৰ উপৰিও এই পুথিত ঔষধৰ ব্যৱস্থাও আছে; "অথ সৰ্ব্বজন্তু বিষ নিবাৰণ। কবচাৰ মূল গুটি সত সবিয়হ বটি দিলে গুচে। ইতি শ্ৰীগোৰক্ষনাথ সিদ্ধ বিৰচিতম্ কামৰত্ন তন্ত্ৰ ত্ৰয়োদশ উপদেশ সমাপ্তঃ।"

শুভঙ্কৰ কবিৰ সংস্কৃত গ্ৰন্থ শ্ৰীহস্ত-মুক্তাৱলীৰ এটি নকল কাটামুণ্ডৰ নেপাল দৰবাৰ লাইব্ৰেৰীত আৰু আন এটি পুৰণি মিথিলাৰ অন্তৰ্গত দ্বাৰভাঙ্গাত পোৱা হৈছে; আৰু তৃতীয় নকল এটি তাৰ অসমীয়া কথা-ভাঙনিৰে বৰ্ত্তমান কামৰূপ জিলাৰ সুচাৰু বায় ওজাৰ হাতত পোৱা হৈছে। এওঁ উপৰি পুৰুষসকলৰ দিনৰ পৰা বংশানুক্ৰমে প্ৰাচীন কামৰূপৰ নৃত্য-গীত পৰিচালনাত জড়িত আছে। শুভঙ্কৰৰ জন্ম-স্থানৰ নিৰ্ণয় হোৱা নাই; কিন্তু কামৰূপৰ এটি কায়স্থ পৰিয়ালে তেওঁক নিজ পূৰ্বপুৰুষ বুলি দাবী কৰে। অতি পুৰণি কালৰে পৰা কামৰূপ যে নৃত্য-গীতৰ কেন্দ্ৰ আছিল, ইয়াত থকা অসংখ্য শিৱ-মন্দিৰ, দেৱদাসী প্ৰথা আৰু তাৰ পূজাৰীবিলাকৰ বৃত্তিৰূপে দিয়া মাটি-দান-পত্ৰ আদিয়েই দেখুৱায়; নৱম শতিকাৰ বনমাল বৰ্মা বজাৰ তামৰ ফলি আদিয়েই ইয়াৰ প্ৰকৃষ্ট প্ৰমাণ। এই গ্ৰন্থত এখন হাতৰ, দুখন হাতৰ আৰু শৰীৰে সৈতে দুই হাতৰ নাচ এই তিনি ভাগত ৩৯ প্ৰকাৰ নাচৰ বৰ্ণনা দিয়া আছে। এই অসমীয়া কথা-ভাঙনিটিও বিতোপন আৰু প্ৰাঞ্জল (অধ্যয়ন, ১৮১ পিঠি):

"এমত প্ৰকাৰে শুভঙ্কৰ কবি আশীৰ্বাদ বিধান কৰি গ্ৰন্থ নিবন্ধনক প্ৰতি প্ৰতিজ্ঞা বোলে। শুভঙ্কৰ কবি ৰসিকসকলৰ সন্তোষৰ নিমিত্তে "শ্ৰীহস্ত-মুক্তাৱলী" নামে গ্ৰন্থক নিৰূপণ কৰে। কামত শুভঙ্কৰ কবি; আৰু কহি: যে বুদ্ধিক সহায় কৰিয়া গুণ-সমুদ্ৰত অতি দুস্তৰ দৃঢ় মজ্জন কৰিছে: নৰ্ত্তক-নৰ্ত্তকীৰ ঘাবায়ে অতি